# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 18-08-2024
**Time :** 18-45 Hrs

## *Assamese Evening Bulletin*
----------- ------------

১। অসম চৰকাৰে ৰাজ্যখনক ২০২৬ চনৰ ভিতৰত দেশৰ দক্ষতা  বিকাশৰ ৰাজধানী হিচাপে গঢ়ি তোলাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

২। কলকাতাৰ চিকিৎসক ধৰ্ষণ আৰু হত্যাৰ গোচৰত অভিযুক্ত সঞ্জয় ৰয়ৰ চিবিআইৰ মনস্তাত্বিক পৰীক্ষাৰ সিদ্ধান্ত। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল কৰ্তৃপক্ষৰ মহিলা চিকিৎসকৰ সুৰক্ষাৰ দিশত বিশেষ পদক্ষেপ গ্ৰহণ।

৩। অসম আৰক্ষীৰ বিশেষ সঞ্চালকপ্ৰধান হৰমিত সিঙৰ পূব অসমৰ বিভিন্ন প্ৰান্তত বোমা সদৃশ সামগ্ৰী উদ্ধাৰৰ ঘটনা সন্দৰ্ভত ডিব্ৰুগড়ত পৰ্যালোচনা বৈঠক।

৪। আজি পৱিত্ৰ ভাদ মাহৰ প্ৰথম দিনটোত ৰাজ্যজুৰি ভকত বৈষ্ণৱৰ নাম-প্ৰসংগ। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ ভক্তপ্ৰাণ ৰাইজক শুভেচ্ছা জ্ঞাপন।

আৰু

৫। কোকৰাঝাৰত ২১ আগষ্টত হ'বলগীয়া ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ প্ৰথমখন কোৱাৰ্টাৰ ফাইনেলত নৰ্থ ইষ্ট ইউনাইটেড এফ চিৰ ভাৰতীয় সেনাৰ মুখামুখি।

০০০

অসম চৰকাৰে ৰাজ্যখনত ২০২৬ চনৰ ভিতৰত দেশৰ দক্ষতা ৰাজধানী হিচাপে গঢ়ি তোলাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰি কয় যে, অত্যাধুনিক ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান আৰু দক্ষতা প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ কাম অব্যাহত আছে। ৰাজ্যখনৰ যুৱক-যুৱতীসকলৰ দক্ষতা আৰু নিয়োগ যোগ্যতা বৃদ্ধিৰ বাবে চৰকাৰে এই প্ৰচেষ্টা অধিক গতিশীল কৰাৰ লক্ষ্য স্থিৰ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, চৰকাৰে কাৰিকৰী শিক্ষা প্ৰতিষ্ঠানৰ সংখ্যা ২০২২ বৰ্ষৰ ১৩২ৰ পৰা ২০২৬ বৰ্ষত ২৫০ লৈ বৃদ্ধি কৰাৰ লক্ষ্য লৈছে। পূৰ্বে এই প্ৰতিষ্ঠানসমূহত থকা ২৪ হাজাৰ আসনৰ সংখ্যা ২০২৬ বৰ্ষলৈ ৫০ হাজাৰলৈ বৃদ্ধি হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। এই প্ৰতিষ্ঠানসমূহত নিয়োগ সন্ধানীসকলৰ বাবে কেৰিয়াৰৰ সুবিধা প্ৰদানৰ বাবে হ্ৰস্বকালীন প্ৰশিক্ষণ কাৰ্যসূচীৰ দিহা কৰা হ'ব বুলিও তেওঁ কয়।

০০০

কলকাতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ আবাসিক চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ ঘটনাৰ পাছত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল কৰ্তৃপক্ষই সুৰক্ষাৰ দিশত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। অনুষ্ঠানটোৰ অধ্যক্ষ তথা মুখ্য অধীক্ষক ডাঃ অচ্যুৎ বৈশ্যই জাৰি কৰা এখন নিৰ্দেশনা অনুসৰি নিশা কৰ্তব্যত নিয়োজিত মহিলা চিকিৎসকলৰ বাবে জি এম চি এইচৰ কেজুৱেলিটি বিভাগত বিশেষ বাহনৰ ব্যৱস্থা থাকিব। মূল হাস্পতাল চৌহদ, ছুপাৰ স্পেচিয়েলিটী হাস্পতাল, চি এন চেণ্টাৰ আৰু ৩ নম্বৰ ছাত্ৰাবাসলৈ অহা-যোৱা কৰাৰ বাবে কৰ্তব্যৰত চিকিৎসকসকলে দায়িত্বত থকা কেজুৱেলিটি বিষয়াৰ সৈতে

যোগাযোগ কৰিব পাৰিব। কেজুৱেলিটি বিষয়াই কৰ্তব্যৰত মহিলা চিকিৎসকৰ বাবে বাহনৰ ব্যৱস্থা কৰাৰ লগতে এগৰাকী মহিলা সুৰক্ষা কৰ্মী থকাটো নিশ্চিত কৰিব।

ইফালে, আন এটা নিৰ্দেশনা অনুযায়ী ৰোগীৰ সৈতে অহা ৰেড কাৰ্ড থকা পৰিয়ালৰ সদস্যৰ বাহিৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত সন্ধিয়া ৬ বজাৰ পাছত আন লোকৰ প্ৰৱেশত বাধা আৰোপ কৰা হৈছে। নিৰ্দেশনাত উল্লেখ কৰা মতে চৌহদৰ পৰা অকৰ্তৃত্বশীলভাৱে থকা লোকসকলক আঁতৰাই পঠোৱাৰ বাবে সুৰক্ষাৰ দায়িত্বত থকা বিষয়াজন দায়বদ্ধ হ'ব। এইক্ষেত্ৰত প্ৰয়োজন সাপেক্ষে বিষয়াজনে ভঙাগড় আৰক্ষীৰ সহায় ল'ব পাৰিব। ইয়াৰ উপৰিও নিৰ্দেশনা অনুযায়ী সকলো গৃহৰক্ষী জোৱান ব্যক্তিগত সুৰক্ষা কৰ্মী আৰু নিৰ্মাণ শ্ৰমিকে সন্ধিয়া ৬ বজাৰ পাছত পৰিচয় পত্ৰ পিন্ধিব লাগিব।

আনহাতে, দেশজুৰি আলোড়ন সৃষ্টি কৰা কলকাতাৰ  চিকিৎসকগৰাকীৰ ধৰ্ষণ আৰু হত্যাৰ গোচৰত অভিযুক্ত সঞ্জয় ৰয়ৰ কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চিবিআইয়ে মনস্তাত্বিক পৰীক্ষা কৰিব। ইয়াৰ বাবে দিল্লীস্থিত কেন্দ্ৰীয় ফৰেনচিক বিজ্ঞান পৰীক্ষাগাৰৰ মনোবৈজ্ঞানিক আৰু আচৰণগত বিশ্লেষকৰ এটা দল ইতিমধ্যে কলকাতাত উপস্থিত হৈছে। চিবিআইয়ে সঞ্জয় ৰয়ক ইতিপূৰ্বে জিম্মাত লৈছে। ইপিনে, আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ প্ৰাক্তন অধ্যক্ষ ডাঃ সন্দীপ ঘোষক কালি চি বি আইয়ে একেৰাহে দ্বিতীয় দিনৰ বাবে কেইবাঘণ্টা ধৰি জেৰা কৰে। চিবিআইয়ে পুনৰ জেৰা কৰাৰ বাবে তেওঁলৈ চমন জাৰি কৰিছে। ইপিনে, ৰাজ্যত অসম গণ পৰিষদৰ মহিলা মৰ্চাই আজি এই ঘটনাৰ প্ৰতিবাদত কাৰ্যসূচী গ্ৰহণ কৰে।

000

অসম আৰক্ষীৰ বিশেষ আৰক্ষী সঞ্চালকপ্ৰধান হৰমিত সিঙে আইন-শৃংখলা পৰিস্থিতিৰ বুজ লোৱাৰ উদ্দেশ্যে আজি ডিব্ৰুগড় জিলাত উপস্থিত হয়। আৰক্ষী বিষয়াগৰাকীয়ে শীৰ্ষ আৰক্ষী বিষয়াসকলৰ সৈতে উজনি অসমত ৫ খন জিলাৰ আইন-শৃংখলা পৰিস্থিতি সন্দৰ্ভত আলোচনা কৰে। শ্ৰী সিঙে কালি শিৱসাগৰত এই সন্দৰ্ভত পৰ্যালোচনা কৰাৰ পাছত পূব অসমৰ বিভিন্ন প্ৰান্তত উদ্ধাৰ হোৱা বোমা সদৃশ সামগ্ৰী উদ্ধাৰৰ ঘটনা সন্দৰ্ভতো লেপেটকটাৰ বি পি চি এলৰ প্ৰশাসনিক ভৱনত অনুষ্ঠিত আজিৰ পৰ্যালোচনা বৈঠকত আলোচনা কৰে। সভাত সিঙৰ লগতে আই জি পি পাৰ্থসাৰথি মহন্ত, আই জি পি সত্যৰাজ হাজৰিকা আৰু ডিব্ৰুগড়, তিনিচুকীয়া, ধেমাজি, লখিমপুৰ আৰু শদিয়া জিলাৰ শীৰ্ষ আৰক্ষী বিষয়াসকল উপস্থিত থাকে। সংবাদ মাধ্যমৰ সৈতে হোৱা বাৰ্তালাপত শ্ৰী সিঙে বৈঠকত বিস্ফোৰক সামগ্ৰী উদ্ধাৰ হোৱা ঠাইসমূহত গঠন কৰা বিশেষ তদন্তকাৰী দলৰ তদন্ত আৰু অভিযানৰ অগ্ৰগতি সম্পৰ্কত আলোচনা কৰা হয় বুলি জানিবলৈ দিয়ে। জিলা আৰক্ষী অধীক্ষকসকলৰ সৈতে আলোচনা কৰি শ্ৰী সিঙে সাধাৰণ জনতাৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ আৰক্ষী প্ৰশাসনক নিৰ্দেশ দিয়ে।

000

পৱিত্ৰ ভাদ মাহৰ আজি প্ৰথম দিন। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সত্ৰ আৰু নামঘৰসমূহ ভকত-বৈষ্ণৱ আৰু আয়তীসকলৰ হৰিনামৰ ধ্বনিৰে মুখৰিত হৈ পৰিছে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ভাদ মাহৰ আৰম্ভণি উপলক্ষে ভক্তপ্ৰাণ ৰাইজক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে ৰাজ্যবাসীৰ মংগল তথা শ্ৰীবৃদ্ধি কামনা কৰিছে। অসমৰ সমাজ জীৱনত ভাদ মাহৰ আধ্যাত্মিক গুৰুত্বৰ বিষয়ে উল্লেখ কৰি শ্ৰী সোণোৱালে মহাপুৰুষ দুজনাৰ তিথি, শ্ৰীকৃষ্ণৰ জন্মাষ্টমী আদি বিভিন্ন পাৰ্বন আৰু নাম-প্ৰসংগৰে মুখৰিত পৱিত্ৰ মাহটোৱে জনজীৱনলৈ ভাতৃত্ববোধ আৰু ভক্তি চেতনা কঢ়িয়াই আনে বুলি মত প্ৰকাশ কৰে।

বিত্তমন্ত্ৰী অজন্তা নেওগ, মীন মন্ত্ৰী কেশৱ মহন্ত, কৃষি মন্ত্ৰী অতুল বৰা আৰু কাজিৰঙা লোকসভা সমষ্টিৰ কামাখ্যা প্ৰসাদ তাছাই পহিলা ভাদৰ দিনটোত গোলাঘাটৰ আঠখেলীয়া নামঘৰত উপস্থিত হৈ ভকত-বৈষ্ণৱৰ সৈতে ৰাজ্যৰ উন্নতিৰ বাবে আশীৰ্বাদ লয়। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ উদ্যোগত আৰু বিত্তমন্ত্ৰী অজন্তা নেওগৰ প্ৰচেষ্টাত ২ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা নামঘৰৰ মণিকূট আৰু দুমহলীয়া অতিথি গৃহৰ আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়।

ইফালে, যোৰহাট জিলাৰ ঐতিহাসিক ঢেকীয়াখোৱা বৰনামঘৰ, মইনাপৰীয়া নামঘৰকে ধৰি বিভিন্ন নামঘৰ আৰু সত্ৰত আজিৰেপৰা মাহজোৰা পালনাম আৰম্ভ হৈছে। ঢেকীয়াখোৱা বৰনামঘৰৰ পৰিচালনা সমিতিয়ে অসমৰ বিভিন্ন প্ৰান্তৰ পৰা আহিবলগীয়া হাজাৰ হাজাৰ ভক্তক আদৰিবলৈ নামঘৰ প্ৰাংগণ সজাই-পৰাই তুলিছে। এই উদ্দেশ্যে খোৱাপানী, গাড়ী ৰখা ঠাই আদিৰ সু-ব্যৱস্থা সুনিশ্চিত কৰাৰ লগতে জিলা প্ৰশাসনে নিৰাপত্তা ব্যৱস্থাও কটকটীয়া কৰি তুলিছে। ভাদ মাহ উপলক্ষে মহানগৰীতো নামঘৰসমূহ হৰিনামৰ ধ্বনিৰে মুখৰিত হৈ পৰিছে। মহানগৰীৰ বিভিন্ন প্ৰান্তত থকা নামঘৰসমূহত আই মাতৃসকলে আজি মাহজোৰা নাম-কীৰ্তনৰ আৰম্ভণি কৰিছে।

০০০

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে অসমে প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীনৰ অধীনত ২০ লাখৰো অধিক পকী ঘৰৰ অনুমোদন লাভ কৰিছে বুলি জানিবলৈ দিছে। ইয়াৰে ১৯ লাখতকৈ অধিক ঘৰৰ নিৰ্মাণকাৰ্য ইতিমধ্যে সম্পূৰ্ণ হৈছে। মন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰিছে। এই সাফল্যৰ বাবে তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰিছে। শ্ৰী দাসে লগতে গৃহ নিৰ্মাণৰ সৈতে জড়িত সংশ্লিষ্ট সকলৰো শলাগ লৈছে।

০০০

চৰাইদেউ মৈদামে বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ স্বীকৃতি লাভৰ ক্ষেত্ৰত বিশেষ অৱদান আগবঢ়োৱা প্ৰত্নতত্ব বিভাাগ আৰু কেইবাগৰাকী ব্যক্তিক আজি মৈদাম প্ৰাঙ্গনত সম্বৰ্ধনা জনোৱা হয়। স্বৰ্গদেউসকলৰ স্মৃতি তৰ্পন সমিতি, সদৌ টাই আহোম ছাত্ৰ সন্থাকে ধৰি কেইবাটাও সংগঠন আৰু চৰাইদেউবাসী ৰাইজৰ উদ্যোগত আয়োজিত এই সভাত সোণাৰীৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ উপস্থিত থাকে। এই সভাত প্ৰত্নতত্ব বিভাগৰ শীৰ্ষ বিষয়া, সাংস্কৃতিক বিশেষজ্ঞ, মৈদাম সংৰক্ষণৰ দায়িত্বত থকা বহু লোকৰ লগতে স্থানীয় ৰাইজ উপস্থিত থাকে।

০০০

ভাৰতীয় জনতা যুৱ মৰ্চা আৰু চাহ জনগোষ্ঠী মৰ্চাৰ টিংখাং, লেঙেৰী, আৰু মৰাণ মণ্ডল কমিটিৰ উদ্যোগত চলিত বছৰৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চাকৰিৰ নিযুক্তিৰ পৰীক্ষাৰ বাবে আবেদন কৰা যুৱক-যুৱতীসকলৰ নিযুক্তি পৰীক্ষাৰ প্ৰস্তুতিৰ কৰ্মশালা আজি আৰম্ভ হৈছে। অঞ্চলটোৰ ৭ টা স্থানত আজি আয়োজিত কৰ্মশালা উদ্যোগ মন্ত্ৰী বিমল বৰাই উদ্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে অনুষ্ঠানত অংশ লৈ নিযুক্তি পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া ব্যক্তিসকলৰ এই অনুষ্ঠানত অংশগ্ৰহণ দেখি সন্তুষ্টি প্ৰকাশ কৰে। ভৱিষ্যত জীৱনত সফলতাৰে অগ্ৰসৰ হোৱাৰ দিশত এই কাৰ্যসূচীয়ে তেওঁলোকক সহায় কৰিব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

০০০

বড়ো আন্দোলনৰ প্ৰথম শ্বহীদ সুজিত নাৰ্জাৰীৰ সোঁৱৰণত বি টি চি প্ৰশাসনে ৪০ টা পৰিষদীয় সমষ্টিত প্ৰেক্ষাগৃহ নিৰ্মাণৰ আঁচনি প্ৰস্তুত কৰিছে। এই অনুসৰি বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে আজি জিলা সদৰ কাজলগাঁও বজাৰৰ ওচৰত এটা প্ৰেক্ষাগৃহ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে। কাৰ্যসূচী

ৰূপায়ণ কৰি শ্ৰী বড়োৱে প্ৰেক্ষাগৃহটোত ছশৰ পৰা সাতশ জন লোক বহিব পাৰিব বুলি ব্যক্ত কৰে। তেওঁ এবছৰত প্ৰেক্ষাগৃহটোৰ নিৰ্মাণ সম্পূৰ্ণ হ'ব বুলি জানিবলৈ দিয়ে। আধাৰশিলা স্থাপন অনুষ্ঠানত ৰাজ্যসভাৰ সাংসদ ৰণগৌড়া নাৰ্জাৰী, লোকসভাৰ সাংসদ জয়ন্ত বসুমতাৰী আৰু বিটিচিৰ পৰিষদীয় সদস্য মাধৱ চন্দ্ৰ চেত্ৰীকে ধৰি ইউ পি পি এলৰ দলীয় নেতাকৰ্মী উপস্থিত থাকে।

ইয়াৰ পাছত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্যজনে জিলাখনৰ গৰুভাষা, ইছ্লাকাটা, চান্দপুৰ, খাগ্ৰাবাৰী আৰু কিষাণবজাৰত পকী দলঙৰ আধাৰশিলা স্থাপন কৰে।

০০০

কোকৰাঝাৰ ছাই ষ্টেডিয়ামত অহা ২১ আগষ্টত ১৩৩ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ প্ৰথমখন কোৱাৰ্টাৰ ফাইনেল অনুষ্ঠিত হ'ব। দিনৰ ৪ বজাত অনুষ্ঠিত হ'বলগীয়া খেলখনত গ্ৰুপ ইৰ চেম্পিয়ন তথা আই এছ এলৰ গুৱাহাটীৰ দল নৰ্থ ইষ্ট ইউনাইটেড এফ চিয়ে গ্ৰুপ বিৰ চেম্পিয়ন তথা প্ৰতিযোগিতাৰ আয়োজক ভাৰতীয় সেনাৰ ফুটবল দলৰ বিৰুদ্ধে খেলিব। উল্লেখযোগ্য যে এছিয়াৰ আটাইতকৈ পুৰণি তথা বিশ্বৰ তৃতীয় পুৰণি ফুটবল প্ৰতিযোগিতা ডুৰাণ্ড কাপৰ গ্ৰুপ লীগৰ খেলসমূহৰ অন্তত ৮ টা দলে কোৱাৰ্টাৰ ফাইনেল খেলিব। ভাৰতীয় সেনাই আয়োজন কৰা প্ৰতিযোগিতাখনত এইবাৰ ২৪ টা দলে অংশগ্ৰহণ কৰিছিল। কোকৰাঝাৰত হ'বলগীয়া খেলখনৰ উপৰি ২১ আগষ্টত শ্বিলঙত আন এখন কোৱাৰ্টাৰ ফাইনেলত গ্ৰুপ এফৰ চেম্পিয়ন শ্বিলং লাজং এফ চিয়ে ইষ্ট বেংগল এফ চিৰ মুখামুখি হ'ব। প্ৰতিযোগিতাৰ ফাইনেল খেলখন অহা ৩১ আগষ্টত অনুষ্ঠিত হ'ব।

০০০

ভাৰতীয় বেডমিণ্টন সংস্থাই মঙলবাৰে চীনৰ চেংদুত আৰম্ভ হ'বলগীয়া ১৫ আৰু ১৭ বছৰৰ অনুৰ্ধৰ জুনিয়ৰ চেম্পিয়নশ্বিপৰ বাবে এটা ৩৯ জনীয়া দল প্ৰেৰণ কৰিছে। জ্ঞান দত্তু আৰু তনৰি ৰেড্ডীয়ে ১৭ বছৰ অনুৰ্ধৰ দলটোৰ নেতৃত্ব বহন কৰাৰ বিপৰীতে শ্যাম বিন্দিগনৱিলে আৰু তন্‌ৰি পত্ৰিয়ে ১৫ বছৰ অনুৰ্ধৰ দলটোৰ নেতৃত্ব বহন কৰিব। ছাইনা মণিমুতুই ১৭ বছৰ অনুৰ্ধৰ ছিংগলছৰ উপৰি এক্যা ছেট্টীৰ সৈতে ডাবলছতো অংশগ্ৰহণ কৰিব। চীনত অনুষ্ঠিত যোৱাবাৰৰ সংস্কৰণত ভাৰতে এটা সোণ, এটা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদক লাভ কৰিছিল। বৰ্ণিল চাংমাই ল'ৰাৰ ১৭ বছৰ অনুৰ্ধৰ শাখাত সোণৰ পদক অৰ্জন কৰিছিল। উল্লেখযোগ্য যে, ভাৰতে অহা বছৰ জুনিয়ৰ বিশ্ব চেম্পিয়নশ্বিপৰ আয়োজন কৰিব।

০০০

অসম বিধানসভাৰ কাম-কাজ ডিজিটেল কৰি তোলাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেচনেল ই-বিধান এপৰ লগতে কেইবাটাও নতুন ব্যৱস্থা উদ্বোধন, ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত নগৰ অঞ্চলৰ কৃত্ৰিম বান ৰোধৰ বাবে অসম বিধানসভাৰ সমাগত শৰৎকালীন অধিবেশনত নতুন বিধেয়ক উত্থাপনৰ সিদ্ধান্ত গ্ৰহণ, দেশৰ ৭৮ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপন, ৭০ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা ঘোষণাকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বাতৰিয়ে বিগত সপ্তাহত আঞ্চলিক বাতৰিত স্থান লাভ কৰে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যোৱা সোমবাৰে অসম বিধানসভা চৌহদত কেইবাটাও কাৰ্যসূচীৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। বিধানসভা চৌহদত কুইন্‌ছ ল'ন, বিধানসভাৰ লাইভ ষ্টুডিঅ', নেভা সেৱা কেন্দ্ৰ, মূল সভাকক্ষ আৰু নেচনেল ই-বিধান এপ্লিকেচনো মুখ্যমন্ত্ৰীয়ে মুকলি কৰে। বিধানসভাৰ কাম-কাজ ডিজিটেল আৰু কাগজবিহীন কৰি তোলাৰ ডিজিটেল ইণ্ডিয়া কাৰ্যসূচীৰ অধীনত এই এপ মুকলি কৰা হয়। আনহাতে, নেভা এপ্লিকেচনৰ সহায়ত সমগ্ৰ সদনৰ কাম-কাজ সুন্দৰভাৱে পৰিচালনা কৰাৰ লক্ষ্য লোৱা হৈছে। ইয়াৰ সহায়ত দেশৰ সকলো বিধি-বিধান একে সময়তে আৰু একেখন মঞ্চত লাভ কৰাটো সুচল হৈ

উঠিব। আনহাতে, ইয়াৰ দ্বাৰা তথ্য সংগ্ৰহৰ বাবে জাননী প্ৰেৰণৰ প্ৰক্ৰিয়া সম্পূৰ্ণৰূপে নাইকিয়া হ'ব বুলি আশা কৰা হৈছে। অনুষ্ঠানত অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, উপাধ্যক্ষ ডাঃ নোমল মমিন, বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, কেন্দ্ৰীয় চৰকাৰৰ সংসদীয় পৰিক্ৰমা মন্ত্ৰালয়ৰ অতিৰিক্ত সচিব ডঃ সত্য প্ৰকাশৰ লগতে ৰাজ্যৰ কেইবাগৰাকীও মন্ত্ৰী তথা বিধায়কসকল উপস্থিত আছিল।

দিছপুৰত যোৱা মঙলবাৰে অনুষ্ঠিত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত নগৰ অঞ্চলৰ কৃত্ৰিম বান ৰোধৰ বাবে নতুন বিধেয়ক উত্থাপনৰ সিদ্ধান্ত লোৱা হয়। বৈঠকৰ অন্তত মন্ত্ৰী কেশৱ মহন্ত আৰু যোগেন মহনে সংবাদমেলযোগে কয় যে অসম বিধানসভাৰ শৰতকালীন অধিবেশনত এই বিধেয়ক উত্থাপন কৰা হ'ব। অহা বছৰৰ পৰা মাটিৰ খাজনা অফলাইনযোগে দিয়া সন্দৰ্ভতো বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰা হয়। পেঞ্চন সহায় কেন্দ্ৰ শিক্ষা বিভাগৰ অধীনলৈ অনাৰ ক্ষেত্ৰতো বৈঠকে অনুমোদন জনায়।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশৰ ৭৮ সংখ্যক স্বাধীনতা দিৱসৰ প্ৰাক সন্ধিয়া ৰাষ্ট্ৰক উদ্দেশ্যি দিয়া ভাষণত কয় যে, ভাৰতে বিবিধতা আৰু বহুত্ববাদৰ সৈতে এখন সংবদ্ধ ৰাষ্ট্ৰ হিচাপে আগবাঢ়িছে আৰু অৰ্জিত সামাজিক বিন্যাসক লৈ মতানৈক্য সৃষ্টি কৰিব পৰা প্ৰবৃত্তিসমূহ প্ৰত্যাখ্যান কৰিছে। সংবিধান প্ৰণেতা ড০ বি আৰ আম্বেদকাৰৰ উদ্ধৃতিৰে ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, সামাজিক গণতন্ত্ৰ অবিহনে ৰাজনৈতিক গণতন্ত্ৰ দীৰ্ঘস্থায়ী হব নোৱাৰে। তেওঁ কয় যে, চৰকাৰে সামাজিক ন্যায়ত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে আৰু অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু সমাজৰ অন্য উপান্ত শ্ৰেণীসমূহৰ বাবে ভালেমান কল্যাণমূলক উদ্যম গ্ৰহণ কৰিছে। ভাৰত বিশ্বৰ পঞ্চম সৰ্ববৃহৎ অৰ্থব্যৱস্থা হিচাপে পৰিণত হোৱা বুলি উল্লেখ কৰি শ্ৰীমতী মুৰ্মুৱে অনাগত সময়ত দেশ বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থব্যৱস্থা হব বুলি আস্থা প্ৰকাশ কৰে।

আনহাতে, দেশৰ ৭৮ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে লালকিল্লাৰ পৰা ৰাষ্ট্ৰক উদ্দেশ্যি দিয়া ভাষণত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে, চৰকাৰে ৰাষ্ট্ৰ প্ৰথম নীতিৰ আধাৰত বিকাশৰ বাবে বিভিন্ন সংস্কাৰ সাধন কৰিছে। শ্ৰী মোদীয়ে লগতে অৰ্ধপৰিবাহী উৎপাদনৰ ক্ষেত্ৰত গোলকীয় নেতৃত্ব প্ৰদানৰ ক্ষেত্ৰত ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা উনুকিয়াই কয় যে, দেশে অৰ্ধপৰিবাহী সামগ্ৰীৰ ক্ষেত্ৰত আমদানিৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰা লক্ষ্য নিৰ্ধাৰণ কৰাৰ লগতে প্ৰযুক্তিগত উপলভ্যতা উন্নত কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে। তেওঁ লগতে নিৰ্মাণ, গেমিং আৰু ডিজাইনিঙকে ধৰি প্ৰায় সকলো খণ্ডতে ন ন উদ্ভাৱনৰ জৰিয়তে ভাৰতক বিশ্ব নেতৃত্ব হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰে।

দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো ব্যাপক উৎসাহ-উদ্দীপনাৰে ৭৮ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰা হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত আয়োজিত কেন্দ্ৰীয় কাৰ্যসূচীত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি দিয়া ভাষণত কয় যে দেশৰ ৫ খন দ্ৰুতগতিত বিকশিত হোৱা ৰাজ্যৰ ভিতৰত অসম অন্যতম। দীৰ্ঘস্থায়ী বিকাশৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰতো অসম এখন আগশাৰীৰ ৰাজ্য হিচাপে পৰিগণিত হৈছে বুলি তেওঁ কয়। তেওঁ কেইদিনমানৰ পূৰ্বে ঐতিহ্যমণ্ডিত চৰাইদেউ মৈদামক ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰূপে স্বীকৃতি দিয়াৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে আগবঢ়োৱা সহযোগিতাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে জাগীৰোডত টাটা ছেমি কণ্ডাক্টৰ প্ৰকল্প, ৰিং ৰোড প্ৰকল্পৰ অনুমোদন আদি বিষয়সমূহে অসমক সাংস্কৃতিক, অৰ্থনৈতিক, উদ্যোগিক আদি প্ৰতিটো দিশতে উজ্বলি উঠাৰ পথ প্ৰশস্ত কৰিছে বুলি মন্তব্য কৰে।

যোৱা শুকুৰবাৰে নতুন দিল্লীত ৭০ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাসমূহ ঘোষণা কৰা হয়। কেন্দ্ৰীয় তথ্য সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ উপস্থিতিত ৭০ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাৰ বিচাৰক মণ্ডলীয়ে ঘোষণা কৰা

অনুসৰি **এমুঠি পুঠি** নামৰ ছবিখনে অসমীয়া ভাষাৰ শ্ৰেষ্ঠ ছবি তথা ৰজতকমল বঁটা লাভ কৰে। একেদৰে দৰে তিৱা ভাষাৰ চলচ্চিত্ৰ **ছিকাইশাল**লৈ তিৱা ভাষাৰ ৰজত কমল বঁটা আগবঢ়োৱা হয়। নৰপন ডেকা পৰিচালিত অসমীয়া চুটি ছবি **শূন্যতাই** শ্ৰেষ্ঠ চুটি ছবি তথা ৰজত কমল বঁটা লাভ কৰে। আনহাতে তথ্য চিত্ৰ শিতানত আইমী বৰুৱা পৰিচালিত বিৰুবালা, **Witch to Padmashri**, আৰু পাৰ্থসাৰথী মহন্ত পৰিচালিত আন এখন অসমীয়া তথ্য চিত্ৰ হাড়গিলা ঃ **The Greater adjutant stork** লৈ বিচাৰকৰ বিশেষ বঁটা আগবঢ়োৱা হয়।

এয়াই আছিল বিগত সপ্তাহত আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰা মুখ্য বাতৰিসমূহত চমু অৱলোকন।

০০০

সমাপ্ত